# মধ্য যুগৰ অসম

**পাঠ – ১০ ( সমাজ বিজ্ঞান )**

**১/ উত্তৰ লিখা –**

**(ক) কিমান শতিকাত আহোমসকল অসমলৈ আহিছিল ?**

**উত্তৰ:- ত্ৰয়োদশ শতিকাত আহোমসকল অসমলৈ আহিছিল ।**

**(খ) চুকাফা অসমলৈ আহোতে লগত অনা মন্ত্ৰী দুজন কোন কোন আছিল ?**

**উত্তৰ:- চুকাফা অসমলৈ আহোতে লগত অনা মন্ত্ৰী দুজন হল বুঢ়াগোহাঁই আৰু ব ৰগোহাঁই ।**

**(গ) মূলাগাভৰু কোন আছিল ?**

**উত্তৰ:-মূলাগাভৰু ফ্ৰাচেংমুং বৰগোহাঁইৰ পত্নী আছিল ।**

**(ঘ) কিমান খ্ৰীষ্টাব্দত গদাধৰ সিংহ আহোম সিংহাসনত বহে ?**

**উত্তৰ:- ১৬৮২ খ্ৰীষ্টাব্দত গদাধৰ সিংহ আহোম সিংহাসনত বহে ।**

**(ঙ) কোচ ৰজা নৰনাৰায়নে কিমান খ্ৰীষ্টাব্দত আহোম ৰাজ্য আক্ৰমণ কৰিছিল ?**

**উত্তৰ:- কোচ ৰজা নৰনাৰায়নে ১৫৬২ খ্ৰীষ্টাব্দত আহোম ৰাজ্য আক্ৰমণ কৰিছিল ।**

**(চ) চুটিয়া সকলৰ শ্ৰেষ্ঠ ৰজা কোন ?**

**উত্তৰ:- চুটিয়া সকলৰ শ্ৰেষ্ঠ ৰজা হল বীৰপাল ।**

**২/ ক্ৰমানুসাৰে সজোৱা –**

**(ক) ইয়াণ্ডাবু সন্ধি ।**

**(খ) হুছেইন শ্বাহৰ কামৰূপ কমতা আক্ৰমণ।**

**(গ) শৰাইঘাটৰ যুদ্ধ।**

**(ঘ) মিৰজুমলাৰ অসম আক্ৰমণ।**

**(ঙ) স্বৰ্গদেউ চুকাফাৰ চৰাইদেউত ৰাজধানী স্থাপন।**

**(চ) ইখতিয়াৰ উদ্দিন মালিক উজবেগ তুঘ্ৰিল খাঁৰ কামৰূপ আক্ৰমণ।**

**<u>উত্তৰ</u>:- (ক) স্বৰ্গদেউ চুকাফাৰ চৰাইদেউত ৰাজধানী স্থাপন।**

**(খ) ইখতিয়াৰ উদ্দিন মালিক উজবেগ তুঘ্ৰিল খাঁৰ কামৰূপ আক্ৰমণ।**

**(গ) হুছেইন শ্বাহৰ কামৰূপ কমতা আক্ৰমণ।**

**(ঘ) মিৰজুমলাৰ অসম আক্ৰমণ।**

**(ঙ) শৰাইঘাটৰ যুদ্ধ।**

**(চ) ইয়াণ্ডাবু সন্ধি।**

**৩/ শুদ্ধ / অশুদ্ধ বিচাৰ কৰা –**

**(ক) আহোমসকল অসমলৈ অহাৰ পৰা ইয়াণ্ডাবু সন্ধিলৈ এই সময়ছোৱা অসম বুৰঞ্জীৰ মধ্যযুগ।**

**<u>উত্তৰ</u>:- শুদ্ধ।**

**(খ) চুডাংফা বা বামুণী কোঁৱৰৰ দিনৰ পৰা আহোম স্বৰ্গদেউসকলে হিন্দু নাম গ্ৰহণ কৰে।**

**<u>উত্তৰ</u>:- শুদ্ধ।**

**(গ) মিৰজুমলাৰ অসম আক্ৰমনৰ সময়ত লেখক চিহাবুদ্দিন তালিচ অসমলৈ আহিছিল ।**

**উত্তৰ:- শুদ্ধ ।**

**(ঘ) কছাৰী ৰজা গোবিন্দচন্দ্ৰৰ দিনত কছাৰী ৰাজ্য বৃটিছৰ অধীনস্থ হয় ।**

**উত্তৰ:- অশুদ্ধ ।**

**(ঙ) চুটিয়াসকল বৈষ্ণৱ ধৰ্মী আছিল ।**

**উত্তৰ:- অশুদ্ধ ।**

**(চ) কামৰূপ আক্ৰমণৰ সময়ত তুৰ্কী – আফগান সকলক ভূঞা সকলে সহায় কৰিছিল ।**

**উত্তৰ:- শুদ্ধ ।**

**৪/ খালী ঠাই পূৰোৱা –**

**(ক) আহোম সকলে অসমলৈ অহাৰ পিছৰে পৰা কামৰূপ ৰাজ্যখন ..................... নামেৰে পৰিচিত হয় ।**

**উত্তৰ:- অসম ।**

**(খ) আহোমসকলে ................... নামৰ দেৱতাক পূজা সেৱা কৰিছিল ।**

**উত্তৰ:- চোমদেউ**

**(গ) ................ স্বৰ্গদেউ চুহুংমুং বা দিহিঙ্গীয়া ৰজাৰ হিন্দু নাম ।**

**উত্তৰ:- চতুৰ্দশ ।**

**(ঘ) সন্ধ্যাই কামৰূপৰ ৰাজধানী উত্তৰ গুৱাহাটীৰ পৰা .................. লৈ স্থানান্তৰিত কৰে ।**

**<u>উত্তৰ</u>:- কমতাপুৰ ।**

**(ঙ) ………………… চুটিয়া সকলৰ আটাইতকৈ শক্তিশালী ৰজা আছিল ।**

**<u>উত্তৰ</u>:- ৰত্নধ্বজপাল ।**

**(চ) ………………… শব্দৰ অৰ্থ হল মাটিৰ মালিক ।**

**<u>উত্তৰ</u>:- ভূঞা ।**

**৫/ ৫০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখা –**

**(ক) কেতিয়া, কোনে আৰু কেনেকৈ অসমত আহোম ৰাজ্য স্থাপন কৰিছিল ?**

**<u>উত্তৰ</u>:- চুকাফা নামৰ কোঁৱৰ এজনে ১২২৮ খ্ৰীষ্টাব্দত অসমত আহোম ৰাজ্য স্থাপন কৰিছিল । আজিৰ পৰা প্ৰায় ৭৯০ বছৰ আগেয়ে মাওলুং ৰাজ্যৰ পৰা মুংকং হৈ পাটকাই পৰ্বত অতিক্ৰম কৰি চুকাফাই অসমত প্ৰবেশ কৰে । ১২২৮ খ্ৰীষ্টাব্দত চুকাফাই চৰাইদেউত ৰজধানী স্থাপন কৰে ।**

**এই সময়ছোৱাত চুকাফাই খিলঞ্জীয়া লোকসকলৰ বহু প্ৰত্যাহ্বানৰ সম্মুখীন হব লগা হৈছিল । চুকাফাই এই লোকসকলক কৌশলেৰে বশ কৰি নিজৰ অধীনস্থ কৰিছিল ।**

**সেই সময়ত দিখৌ আৰু দিচাং নৈৰ মাজৰ ঠাইখিনি মৰাণ আৰু বৰাহী নামৰ দুটা জনজাতিৰ অধীনত আছিল । মৰাণ আৰু বৰাহী সকলক চুকাফাই নিজৰ অধীনস্থ কৰি তেওঁলোকক তিৰোতাৰ পানি গ্ৰহণ কৰিছিল ।**

**(খ) শৰাইঘাটৰ যুদ্ধ কাৰ কাৰ মাজত হৈছিল ? ইয়াৰ ফলাফল কি হল ?**

**<u>উত্তৰ</u>:- শৰাইঘাটৰ যুদ্ধ আহোম আৰু মোগলৰ মাজত হৈছিল ।**

**জয়ধ্বজ সিংহৰ পৰৱৰ্তী ৰজা স্বৰ্গদেউ চক্ৰধ্বজ সিংহই মোগলক কৰ দিবলৈ অমান্তি হোৱাক লৈ আকৌ আহোম – মোগলৰ সংঘৰ্ষ হয় । মোগল সম্ৰাট ঔৰংজেবে ৰামসিংহক অসম আক্ৰমণ কৰিবলৈ পঠিয়ায় ।**

**বীৰ লাচিত বৰফুকনৰ নেতৃত্বত আহোমে সেনাই ১৬৭১ খ্ৰীষ্টাব্দৰ শৰাইঘাটৰ যুদ্ধত অসীম পৰাক্ৰমেৰে যুঁজি ৰামসিংহক পৰাস্ত কৰি অসমৰ যশ, মান, গৌৰৱ উদ্ধাৰ কৰিছিল ।**

**(গ) বীৰ চিলাৰায় কোন আছিল ? তেওঁ কি কি ৰাজ্য জয় কৰিছিল ?**

**<u>উত্তৰ</u>:- বীৰ চিলাৰায় আছিল নৰনাৰায়ণৰ সুদক্ষ সেনাপতি ।**

**তেওঁ মণিপুৰ, জয়ন্তীয়া, ত্ৰিপুৰা, খৈৰাম, ডিমৰুৱা, শ্ৰীহট্ট আদি ৰাজ্য জয় কৰি ছিল ।**

**(ঘ) বাৰভূঞা সকল কোন ?**

**<u>উত্তৰ</u>:- ভূঞা শব্দৰ অৰ্থ হল মাটিৰ মালিক । অসমৰ ভূঞা সকলক বাৰভূঞা নামে জনা যায় । অসমৰ ভূঞা সকল হৈছে কায়স্থ, দৈবজ্ঞ আৰু ব্ৰাহ্মন ভূঞা । সিহঁতক বাৰভূঞা বোলে ।**

**(ঙ) কছাৰীসকল কোন ?**

**<u>উত্তৰ</u>:- কছাৰীসকল অসমৰ অতি পুৰণি অধিবাসীৰ লোক আছিল । চুটিয়া, কোচ, ত্ৰিপুৰী, শৰণীয়া, গাৰো, ৰাভা, লালুং, ডিমাচা আদি জনগোষ্ঠী সকল কছাৰী জাতিৰ অন্তৰ্ভুক্ত আছিল ।**